১২) Baruah, H. (1965). *Assamese Literature*. New Delhi: NBT.

১৩) Bhuyan, S. K.. (1956). *Studies in the Literature of Assam*. Guwahati: Lawyers Books Stall.

১৪) Dutta, B. N. & et. al. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

১৫) Kakati, B. K. (1962). *Assamese : Its Formation and Development*; Guwahati: Lawyers Books Stall.

১৬) Kakati, B. K. (ed.) (1959). *Aspects of Early Assamese Literature*. Guwahati: Gauhati University.



১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, জমিন, পাঠ, প্ৰসংগ বা অনুষঙ্গ, প্ৰকাৰ্য, প্ৰয়োগ, ৰূপক, অৰ্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে মৌখিক সাহিত্যক শ্ৰেণী বিভাজন কৰি বিচাৰ বিশ্লেষণ কৰিব পাৰি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ইংৰাজী 'বেলাড' শব্দটোৰ সমাৰ্থক অৰ্থত অসমীয়া 'মালিতা' শব্দটো ব্যৱহাৰ কৰা হৈছে। বেলাড বা মালিতা নৃত্যৰ পৰিপূৰকভাৰে সুৰ লগাই গোৱা হয় আৰু তাৰ মাজেৰে একোটা কাহিনী বৰ্ণনা কৰা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যংগাত্মক মালিতাৰ অন্তৰ্ভুক্ত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো ধৰ্মীয় প্ৰসংগ, দেৱ-দেৱীৰ উৎপত্তি বা দেৱ-দেৱীৰ পূজা-উপাসনাৰ প্ৰসংগত গোৱা গীতসমূহেই ধৰ্মীয় গীত। ধৰ্মীয় পৰাকাষ্ঠা এই শ্ৰেণী গীতৰ উল্লেখযোগ্য বৈশিষ্ট্য। যেনে— আইনাম, সদাশিৱৰ নাম, জগন্নাথ পূজাৰ নাম আদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গদ্যৰূপত প্ৰচলিত পৰম্পৰাগত মৌখিক কাহিনীসমূহক গদ্যধৰ্মী লোককথা বোলে। বিষয়বস্তুৰ সংযুতি আৰু প্ৰসংগ অনুসৰি ইয়াক আকৌ তিনিটা উপবিভাগত ভগাব পাৰি — পু�ৰাণকথা বা পু�ৰাকথা বা পু�ৰাবৃত্ত বা অতিকথা (Myth), জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী (Legend), সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহিনী (tale) আদি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ এটা ভাষা সম্প্ৰদায়ৰ মাজত বিভিন্ন কথ্যভাষা প্ৰচলিত হ'ব পাৰে আৰু কথ্য ৰূপেই হ'ল লোকভাষা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকসমাজত মন্ত্ৰৰ প্ৰভাৱ অপৰিসীম। এইবোৰৰ ৰচনাকাল সম্পৰ্কে

সঠিককৈ ক'ব নোৱাৰি। পণ্ডিতসকলে ইয়াৰ ৰচনাকাল খ্ৰীষ্টীয় দশম শতিকাৰ পৰা পঞ্চদশ শতিকাৰ ভিতৰত বুলি ঠাৱৰ কৰিছে। ব্ৰাহ্মণ-অব্ৰাহ্মণ, গৰীয়া-মৰিয়া আদি সকলো সম্প্ৰদায়ৰ লোকে প্ৰয়োগ কৰা মন্ত্ৰসমূহ প্ৰথমতে বিশেষ মানুহৰ মুখে মুখে ৰচিত আৰু প্ৰচলিত হৈ আহি পৰৱৰ্তী সময়ত লিখিত ৰূপ পৰিগ্ৰহ কৰে। সাধাৰণতে মন্ত্ৰসমূহ দেৱতা-অপদেৱতা, ভূত-প্ৰেত, যখ-যখিনী, খেতৰ-ডাইনী আদিৰ কু-প্ৰভাৱৰ ফলত হোৱা বেমাৰ-আজাৰ, ধন নাশ, শত্ৰুবৃদ্ধি আদি দূৰ কৰাৰ উদ্দেশ্যে প্ৰয়োগ কৰা হয়।



১১.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক —

ক) মৌখিক সাহিত্য মানে কি বুজে?

খ) অসমীয়া মৌখিক সাহিত্যৰ শ্ৰেণী বিভাজন কৰক।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ বাৰমাহী গীত বুলিলে কি বুজে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) অসমীয়া মালিতা (খ) অসমীয়া সাধুকথা

(গ) মন্ত্ৰ-সাহিত্য (ঘ) লোকভাষা

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মৌখিক সাহিত্যক কেনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি সেই বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মালিতা কাক বোলে? মালিতাক কেনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি? অসমীয়া মালিতাৰ আধাৰত সেই বিষয়ে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া মৌখিক সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***